.niyomiyabarta.com
গুৱাহাটী-ডিব্ৰুগড়-বিশ্বনাথ চাৰিআলি-গোৱালপাৰাৰ পৰা প্ৰকাশিত

স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

(ডিব্ৰুগড় সংস্কৰণ/DIBRUGARH EDIT

ফেব্ৰুৱাৰী ২০২৬ চন □ VOL-15 □ NO-330 □ SATURDAY 7 FEBRUARY 2026

ন্ম
ৰ জন্ম
ত অনুমোদন
ডেল কাষ্ট্ৰ'ৰ

### ডিব্ৰুগড়ৰ কানৈ মহাবিদ্যালয়ত আন্তঃৰাষ্ট্ৰীয় আলোচনা-চক্ৰৰ উদ্বোধনী অনুষ্ঠান



## নৱ প্ৰজন্মই ড° ভূপেন হাজৰিকাৰ আদৰ্শক আগুৱাই নিয়া উচিত : ড° মুকুট গোহাঁই

**বিশেষ বাৰ্তা, ডিব্ৰুগড়, ৬ ফেব্ৰুৱাৰী :** 'নৱ প্ৰজন্মই ড° ভূপেন হাজৰিকাৰ আদৰ্শক আগুৱাই নিয়া উচিত। অসমীয়া জাতি সত্তাক জীয়াই ৰাখিবলৈ ড° ভূপেন হাজৰিকাৰ কৰ্মৰাজিৰ অধ্যয়ন আৰু চৰ্চাৰ এক সুস্থ বাতাবৰণ সৃষ্টি কৰিব লাগিব।' ভাৰত ৰত্ন, সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ লগত সংগতি ৰাখি ডিব্ৰুগড় হনুমান বক্স

৮ পৃষ্ঠাত

স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

২০২৬ চন ☐ VOL-15 ☐ NO-330 ☐ SATURDAY 7 FEBRUARY 2026

(ডিব্ৰুগড় সংস্কৰণ/DIBRUGA

## নৱ প্ৰজন্মই ড° ভূপেন হাজৰিকাৰ আদৰ্শক আগুৱাই নিয়া উচিত ঃ ড° মুকুট গোহাঁই

সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)-ৰ অসমীয়া বিভাগৰ উদ্যোগত, মহাবিদ্যালয়খনৰ আভ্যন্তৰীণ মাণ নিৰ্ণায়ক কোষ, বাংলা বিভাগ, হিন্দী বিভাগ আৰু সংস্কৃত বিভাগৰ সহযোগত 'ড° ভূপেন হাজৰিকা ঃ অসমীয়া জাতীয়তাবাদ আৰু বৃহত্তৰ মানৱতা' শীৰ্ষক দুদিনীয়া আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা-চক্ৰৰ প্ৰথম দিনাৰ উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে অনলাইন মাধ্যমত সংযুক্ত হোৱা দক্ষিণ আফ্ৰিকাস্থিত বিশিষ্ট বিজ্ঞানী ড° মুকুট গোহাঁয়ে এইদৰে কয়। ড° গোহাঁয়ে আৰু কয়, ড° ভূপেন হাজৰিকাৰ গীতত মানৱতাবোধ, জাতীয়তাবোধ আৰু সমাজ সচেতনতাৰ দিশ প্ৰকাশ হোৱা দেখা যায়। অধ্যাপিকা সংক্ৰান্তি দেৱীয়ে আঁত ধৰা অনুষ্ঠানটিত আদৰণী ভাষণ প্ৰদান কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই। আদৰণী ভাষণ প্ৰসংগত অধ্যক্ষগৰাকীয়ে কয়— ড° ভূপেন হাজৰিকা মাথোঁ কেৱল এজন ব্যক্তি নাছিল, তেওঁ আছিল এটা যুগ, এটা যাত্ৰা, এখন সমাজ, এখন পৃথিৱী আৰু মানৱ জাতিৰ এক স্পন্দন স্বৰূপ। তেওঁ কয়— ড° ভূপেন হাজৰিকাই কেতিয়াও জাতীয়তাবাদৰ নামত সংকীৰ্ণতাক প্ৰশ্ৰয় দিয়া নাছিল। লুইতৰ পাৰৰ পৰা ভল্গা, মিচিচিপিৰ পাৰৰ মানুহৰ দুখ, দুৰ্দশালৈকে তেওঁৰ মানৱতা ব্যাপ্তি আছিল। অধ্যক্ষগৰাকীয়ে কয়— ড° ভূপেন হাজৰিকাৰ বাবে জাতীয়তাবাদ মানে কেৱল এক ভৌগোলিক পৰিসীমাৰ ভিতৰত আবদ্ধ নহয়, বৰঞ্চ ই আছিল সমগ্ৰ বিশ্বৰ মানৱ সমাজৰ বাবে এক সংস্কৃতিৰ সমন্বয়, মানৱতাৰ সমন্বয়। অধ্যাপক ড° মৃদুল শৰ্মাই উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানটিত বীজ ভাষণ প্ৰদান কৰে দিল্লী বিশ্ববিদ্যালয়ৰ ভাৰতীয় ভাষা আৰু সাহিত্য অধ্যয়ন বিভাগৰ অধ্যাপিকা ড° ৰত্নোত্তমা দাসে। ভাষণ প্ৰসংগত ড° দাসে কয়— ড° ভূপেন হাজৰিকাৰ গীতত ভাষাৰ কালিকা অত্যন্ত শক্তিশালী। তেওঁ কয়— ড° ভূপেন হাজৰিকা উত্তৰ-পূৰ্বাঞ্চল তথা ভাৰতবৰ্ষক বিশ্বৰ দৰবাৰত সংযোগ কৰা এগৰাকী প্ৰতিভাধৰ ব্যক্তি। অনুষ্ঠানত উপস্থিত থাকি উদ্বোধনী ভাষণ প্ৰদান কৰে মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সদস্য ড° গোপাল হাজৰিকাই। উদ্বোধনী ভাষণ প্ৰসংগত ড° হাজৰিকাই কয়— ড° ভূপেন হাজৰিকা এগৰাকী বহুমুখী প্ৰতিভাৰ শিল্পী আছিল। তেওঁৰ গীতত সমন্বয়ৰ চেতনা, মানৱতাবোধ, জাতীয়তাবোধ, অধি বাস্তৱ বাদৰ ছবি,। মৰ মৰ্যদা তথা শোষিত-নিষ্পেষিত জনতাৰ কণ্ঠস্বৰ আছিল। অনুষ্ঠানত উপস্থিত থাকি মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সদস্য জ্যোতি প্ৰসাদ কানৈয়ে আন্তঃৰাষ্ট্ৰীয় আলোচনা-চক্ৰৰ 'সাৰাংশ পুথি' উন্মোচন কৰে। উল্লেখ্য, অনুষ্ঠানৰ লগত সংগতি ৰাখি বিগত সময়ছোৱাত বিয়োগ হোৱা প্ৰয়াত জুবিন গাৰ্গকে প্ৰমুখ্য কৰি কেই বাগৰাকীও শিল্পী, সাহিত্যিকক স্মৰণ কৰি শ্ৰদ্ধাঞ্জলি জনোৱা হয়। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সদস্য অভিমন্যু বৰুৱা, উপাধ্যক্ষ ড° পাৰ্থ গাংগুলী, অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা শিখামণি কোচ দেউৰী, আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড° দীপংকজ গগৈকে ধৰি ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী আৰু গৱেষকে অংশগ্ৰহণ কৰে। আলোচনা-চক্ৰৰ সমান্তৰালভাৱে গ্ৰামোফ'ন ৰেকৰ্ডৰ সংগ্ৰাহক উমানন্দ দুৱৰাৰ ড° ভূপেন হাজৰিকাৰ গীতৰ বছা বছা গ্ৰামোফ'নৰ পুৰণি ৰেকৰ্ডৰ প্ৰদৰ্শনীও প্ৰদৰ্শিত হয়। আলোচনা-চক্ৰৰ লগত সংগতি ৰাখি সন্ধিয়া ড° ভূপেন হাজৰিকাৰ সংগীতৰ 'প্ৰতিধ্বনি শুনো' শীৰ্ষক এক বৰ্ণাঢ্য অনুষ্ঠানো অনুষ্ঠিত হয়। শেষত শলাগ জ্ঞাপন কৰে অধ্যাপিকা ড° মন্মী বৰুৱাই।

আৰক্ষীয়ে ড্ৰাগছসহ আটক কৰে যুৱক তিনিজনক। অ
কৰা দুয়োটা টোপোলাত অনা ড্ৰাগছখিনিৰ ওজন ৬৩.৪
পৰা মতে, বান্দৰদেৱাৰ ভাৰত পেট্ৰ'লিয়াম ডিপ'ৰ সমী
৮ বজাত আৰক্ষীৰ তালাচীত যুৱককেইজনে ব্যৱহাৰ
০১ এইচ-৮৬৪২ নম্বৰৰ বাহনখন জব্দ কৰাৰ লগতে
উদ্ধাৰ কৰে। ধৃতকেইজন ক্ৰমে অৰুণাচল প্ৰদেশৰ পা
নাহৰলগুণৰ এফ ছেক্টৰৰ মৃত নাথনি সাহাৰ পুত্ৰ বিনে
নাহৰলগুণ পল কলনিৰ মৃত বিৰি তাইৰ পুত্ৰ বিৰি ব
কাৰ্চিংছাৰ তাডাৰ তাগুমৰ পুত্ৰ তাডাৰ নানা(২৭)ক আ
পোছা অব্যাহত ৰাখিছে আৰক্ষীয়ে।

## অইল ইণ্ডিয়াক এফআইপিআ

শক্তিখণ্ডলৈ আগবঢ়োৱা উল্লেখযোগ্য অৱদান আৰু উ
স্বীকৃতি স্বৰূপে এফ আই পি আই বঁটা ২০২৫ ৰে সন্ম
'অইল এণ্ড গেছ প্ৰডাকচন কোম্পানী অৱ দা ইয়েৰ' (
তকৈ অধিক) শ্ৰেণীত প্ৰদান কৰা হৈছে এই সন্মান।
ইণ্ডিয়ান পেট্ৰ'লিয়াম ইণ্ডষ্ট্ৰী (এফ আই পি আই)ৰ উ
আয়োজিত ইণ্ডিয়া এনাৰ্জী উইকৰ এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠা
আৰু প্ৰাকৃতিক গেছ মন্ত্ৰী হৰদীপ সিং পুৰী আৰু
প্ৰাকৃতিক গেছ মন্ত্ৰণালয়ৰ সচিব ড° নীৰজ মিট্টালে
কৰে। অইলৰ হৈ এই বঁটাগ্ৰহণ কৰে অইলৰ অধ্যক্ষ
সঞ্চালক ড° ৰঞ্জিত ৰথে। বঁটা প্ৰদান অনুষ্ঠানত উপস্থি
(বিত্ত) অভিজিত মজুমদাৰ আৰু সঞ্চালক (অপাৰে
বৰগোহাঁই। এই স্বীকৃতিয়ে দেশীয় তেল আৰু গেছ
দিশত অইলৰ অবিৰত প্ৰচেষ্টা, অপাৰেচনেল উৎকৃষ্ট
আৰু এক সুৰক্ষিত তথা আত্মনিৰ্ভৰ শক্তি ভৱিষ্যতৰ
সমৰ্থন কৰাৰ ক্ষেত্ৰত কোম্পানীটোৰ গুৰুত্বপূৰ্ণ অৱদ
কৰে। কেন্দ্ৰীভূত অন্বেষণ, উন্নত পুনৰুদ্ধাৰ পদ্ধতি,
ব্যৱহাৰ আৰু দক্ষ ক্ষেত্ৰ ব্যৱস্থাপনাৰ জৰিয়তে অই
সুৰক্ষা বৃদ্ধি কৰাত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি

## শিৱসাগৰত ইউনুছক উ
## ধৰিলে মছজিদ-কবৰস্থান স